[2003] 1 S.C.R. 1299

2003 INSC 92

**আবাতি বেজবৰুৱা**

**বনাম**

**ভাৰতীয় ভূতাত্ত্বিক জৰীপ বিভাগৰ উপ-সঞ্চালক প্ৰধান আৰু আন এজন**

১৪ ফেব্ৰুৱাৰী, ২০০৩

[ন্যায়াধীশ এছ. বি. সিনহা আৰু ন্যায়াধীশ ড° এআৰ. লক্ষ্মণণ]

মটৰ গাড়ী আইন, ১৯৮৮; ধাৰা নং ১৬৬, ১৬৮ আৰু ১৭১:

*ক্ষতিপূৰণ নিৰ্ধাৰণ - ক্ষতিপূৰণৰ পৰিমাণ/সুতৰ হাৰ - ন্যায়াধিকৰণ/আদালতসমূহৰ বিবেচনা - ৰায় দিয়া হৈছিল, গোচৰৰ তথ্য আৰু পৰিস্থিতি অনুসৰি ক্ষতিপূৰণ ন্যায়সংগত আৰু ন্যায্য হোৱা উচিত - ক্ষতিপূৰণ গণনা কৰাৰ ক্ষেত্ৰত আইন ব্যৱস্থা অনুসৰি নিৰ্ণিত নিৰ্দেশাৱলী/সূত্ৰ অনুসৰণ কৰা উচিত - যদিও সুত নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত কোনো নিয়ম নাই, ই কেৱল ন্যায়াধিকৰণ/উচ্চ ন্যায়ালয়সমূহৰ বিবেচনাৰ ওপৰত নিৰ্ভৰ কৰে - যি নহওঁক, প্ৰাসংগিক সময়ত চলি থকা বেংকৰ হাৰ সাধাৰণতে সুত নিৰ্ধাৰণৰ ক্ষেত্ৰত বিবেচনা কৰা হ'ব।*

**দাবীদাৰ-আপীলকাৰীৰ স্বামীয়ে এখন স্কুটাৰ চলাই আছিল, যিখনে জীপ এখনৰ লগত সংঘৰ্ষত লিপ্ত হয় আৰু তেওঁৰ মৃত্যু হয়। মটৰ দুৰ্ঘটনা দাবী ন্যায়াধীকৰণে দাবীদাৰক ২,৫০,২০০ টকাৰ ৰাশি ক্ষতিপূৰণ হিচাপে নিৰ্ধাৰিত কৰি দিয়ে আৰু ৬% বাৰ্ষিক সুতৰ হাৰত সেই ৰাশি পৰিশোধৰ নিৰ্দেশ দিয়ে। আপীলত, উচ্চ ন্যায়ালয়ে ক্ষতিপূৰণৰ পৰিমাণৰ লগতে সুতৰ হাৰো বৃদ্ধি কৰে। সলনি কৰা নিৰ্ধাৰিত ৰাশিত অসন্তুষ্ট হৈ, দাবীদাৰে এই আপীল দাখিল কৰিছে।**

আপীলকাৰীৰ হৈ দাবী কৰা হৈছিল যে উচ্চ ন্যায়ালয়ে প্ৰাসংগিক সময়ত প্ৰচলিত সুতৰ হাৰৰ তুলনাত কম সুতৰ হাৰ নিৰ্ধাৰণ কৰাত ভুল কৰিছিল; আৰু সেই প্ৰাসংগিক সময়ত ভুক্তভোগীৰ বয়স বিবেচনা কৰি ১৫ ৰ পৰিৱৰ্তে ১৬ ৰ গুণক প্ৰয়োগ কৰি ক্ষতিপূৰণৰ পৰিমাণ বৃদ্ধি কৰিব লাগে।

উত্তৰদাতাৰ হৈ যুক্তি প্ৰদান কৰা হৈছিল যে উচ্চতম ন্যায়ালয়ৰ পূৰ্বৰ সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত ক্ষতিপূৰণ গণনাত ১০ ৰ গুণক উপযুক্ত হ'ব লাগে আৰু ঘটনাৰ তথ্য আৰু পৰিস্থিতিৰ ক্ষেত্ৰত বছৰি ৯% সুতৰ হাৰ যুক্তিসংগত/ন্যায্য হ'ব।

আপীলৰ আংশিক অনুমতি প্ৰদান কৰি, আদালতে

ৰায় দিছিল যে: (ন্যায়াধীশ সিন্হাৰ মতে)

১. বৰ্তমানৰ গোচৰটোত, প্ৰাসংগিক সময়ত ভুক্তভোগীজনৰ বয়স আছিল ৪০ বছৰ। ন্যায়াধিকৰণ আৰু উচ্চ ন্যায়ালয়ে ১৫ গুণক প্ৰয়োগ কৰাত ভুল কৰা বুলি ক'ব নোৱাৰি। ভৱিষ্যতৰ কৰ্মজীৱনৰ সম্ভাৱনা আৰু উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি ৪৫,০০০ টকা হিচাপে বাৰ্ষিক আয়ৰ অধিক প্ৰাক্কলন অপ্ৰাসংগিক নহ'ব। উক্ত ধনৰাশিৰ পৰা মুঠ আয়ৰ এক তৃতীয়াংশ ব্যক্তিগত জীৱন-যাপনৰ খৰচৰ দিশত কৰ্তন কৰিব লাগে। এইদৰে, ৩০,০০০ টকাৰ ৰাশি নিৰ্ভৰশীলতাৰ ক্ষতি হিচাপে নিৰ্ধাৰণ কৰিব লাগে। উক্ত ৰাশিটো ১৫ গুণক প্ৰয়োগ কৰি মূলধনীকৰণ কৰিব লাগে, যি ৪,৫০,০০০ টকা হয়।

২.১. ক্ষতিপূৰণ/নিৰ্ধাৰিত সুতৰ হাৰ প্ৰতিটো গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰিব। সুত নিৰ্ধাৰণ সাধাৰণতে প্ৰাসংগিক সময়ত প্ৰচলিত বেংক হাৰৰ ওপৰত নিৰ্ভৰ কৰিব। গোচৰটোৰ তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সুত বছৰি ৯% হাৰত পৰিশোধ কৰিব লাগে।

*কৌশ্নুমা বেগম (শ্ৰীমতী) আৰু অন্যান্য বনাম নিউ ইণ্ডিয়া এশ্বুৰেন্স কোম্পানী লিমিটেড আৰু অন্যান্য* [২০০১] ২ এছ.চি.চি. ৯ আৰু *ইউনাইটেড ইণ্ডিয়া বীমা কোম্পানী লিমিটেড আৰু অন্যান্য বনাম পেট্ৰিচিয়া জ্যা মহাজন আৰু অন্যান্য* [২০০২] ৬ এছ.চি.চি. ২৮১ – গোচৰসমূহৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল।

*আৰ.এল. গুপ্তা আৰু অন্যান্য বনাম জুপিটৰ জেনেৰেল বীমা কোম্পানী আৰু অন্যান্য,* [১৯৯০] ১ এছ.চি.চি. ৩৫৬ – গোচৰৰ প্ৰসংগ দিয়া হৈছিল।

২.২. বৰ্তমান এইটো আইনৰ এটা সু-প্ৰতিষ্ঠিত নীতি যে দ্বিতীয় অনুসূচীৰ অধীনত নিৰ্ধাৰণ কৰা ধৰণে গাঁথনিগত সূত্ৰৰ ভিত্তিত ক্ষতিপূৰণ পৰিশোধ কৰাটোৰ পৰা সাধাৰণতে বিচ্যুত হ'ব নালাগে। তদুপৰি প্ৰতিটো গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ভিত্তিত ক্ষতিপূৰণৰ পৰিমাণ ন্যায়সংগত আৰু ন্যায্য হ'ব লাগে।

ন্যায়াধীশ ড০ লক্ষ্মণণৰ মতে (পৰিপূৰক):

**১.১.** প্ৰতিটো গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি আৰু মুদ্ৰাস্ফীতি, অৰ্থনীতিৰ পৰিৱৰ্তন, ভাৰতীয় ৰিজাৰ্ভ বেংকে সময়ে সময়ে গ্ৰহণ কৰা নীতি, গোচৰটো কিমান দিনলৈ বিচাৰাধীন হৈ আছে, ভুক্তভোগীয়ে ভুগিবলগীয়া হোৱা স্থায়ী আঘাত, দুখৰ গভীৰতা, ভৱিষ্যতৰ আয়ৰ ক্ষতি, জীৱন উপভোগৰ ক্ষতি আদি সকলো প্ৰাসংগিক কাৰকৰ বিবেচনা কৰি সুতৰ হাৰ ন্যায্য আৰু যুক্তিসংগত হ'ব লাগিব।

**১.২.** মটৰ গাড়ী আইন, **১৯৮৮**-ৰ **১৭১** নং ধাৰাত কোনো সুতৰ হাৰ নিৰ্ধাৰণ কৰা হোৱা নাই। ন্যায়াধিকৰণ, উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ে বিভিন্ন সুতৰ হাৰ প্ৰদান কৰি আহিছে। দাবীদাৰে বিশেষভাৱে সুতৰ বাবে আবেদন নকৰিলেও সুত প্ৰদান কৰিব পাৰি কাৰণ ই আইনৰ দৃষ্টিত যুক্তিসংগত। সুত হ'ল ধনৰাশি ধৰি ৰখাৰ বা ধন আদায় পৰিহাৰ কৰাৰ ক্ষতিপূৰণ আৰু সেই সুত কোনো পক্ষক কেৱল তেওঁক দিবলগীয়া উচিত ধনৰাশিৰ পৰা আঁতৰাই ৰখাৰ বাবেহে দিয়া হয়। ধাৰা **১৭১**-ৰ অধীনত এনে বিষয়ত ন্যায়াধিকৰণক বিবেচনাধীনতা প্ৰদান কৰা বিধানৰ প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি মটৰ দুৰ্ঘটনা দাবীৰ গোচৰত সাধাৰণ প্ৰয়োগৰ বাবে কোনো নীতি অনুমান কৰিব নোৱাৰি বা কোনো সুতৰ হাৰ নিৰ্ধাৰণ কৰিব নোৱাৰি। সুত প্ৰদানৰ ক্ষেত্ৰত কোনো ধৰা-বন্ধা নিয়ম থাকিব নোৱাৰে আৰু ওপৰত উল্লেখ কৰা ধৰণে সুত নিৰ্ধাৰণ কৰাটো কেৱল ন্যায়াধিকৰণ বা উচ্চ ন্যায়ালয়ৰ বিবেচনাধীন।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ : **১৯৯৭ চনৰ দেৱানী আপীল নং ৫১৯৩।**

১৯৯৪ চনৰ এম. এ. (এফ) নং ২০৪-ত অসমৰ গৌহাটী উচ্চ ন্যায়ালয়ৰ ১০.০৪.১৯৯৬ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীসকলৰ হৈ এ.পি. মোহাণ্টি।

প্ৰতিপক্ষৰ হৈ অশোক ভান, ড° সীতা ৰাম শৰ্মা, সতবিৰ পিল্লানিয়া, ডি.এছ. মহৰা আৰু অৰবিন্দ কুমাৰ শৰ্মা (এন.পি.)।

আদালতৰ ৰায় প্ৰদান কৰিছিল নিম্নোক্ত ন্যায়াধীশে

**ন্যায়াধীশ** এছ.বি. সিন্হা। ১৯৯১ চনৰ এম. এ. চি. গোচৰ নং ২০-ত শ্বিলঙৰ মটৰ দুৰ্ঘটনা দাবী ন্যায়াধীকৰণে (ইয়াৰ পিছত 'ন্যায়াধিকৰণ' বুলি উল্লেখ কৰা হ'ব) নিৰ্ধাৰণ কৰা পৰিশোধযোগ্য ধনৰ পৰিমাণৰ পৰিৱৰ্তন কৰা ১৯৯৪ চনৰ এম. এ. (এফ) নং ২০৮-ত ১৯৯৬ চনৰ ১০ এপ্ৰিল তাৰিখে গৌহাটী উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৰায় আৰু নিৰ্ধাৰণ কৰা পৰিশোধযোগ্য ধনৰ পৰিমাণৰ ওপৰত অসন্তুষ্ট হৈ আৰু ক্ষুব্ধ হৈ দাবীদাৰে আমাৰ ওচৰত আপীল দাখিল কৰিছে।

ঘটনাটোৰ মৌলিক তথ্যৰ ক্ষেত্ৰত কোনো বিবাদ নাই। ইয়াত আপীলকাৰীৰ স্বামী প্ৰয়াত (ড°) ৰমণী কান্ত বেজবৰুৱাই ১৩ নৱেম্বৰ ১৯৯০ তাৰিখে এক মাৰাত্মক দুৰ্ঘটনাত পতিত হয় যেতিয়া তেওঁ স্কুটাৰেৰে আহি থাকোঁতে এম এল কে - ৫৫৪৮ পঞ্জীয়ন নম্বৰযুক্ত জীপ গাড়ী এখনে তীব্ৰতাৰে তেওঁক খুন্দা মাৰে। দাবীদাৰে মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণৰ সন্মুখত ২৭,৪৬,০০০ টকাৰ ক্ষতিপূৰণৰ দাবী কৰে। যি নহওঁক, ন্যায়াধীকৰণে মৃতকৰ দৰমহাৰ প্ৰতি লক্ষ্য ৰাখি, যিটো সেই সময়ত মাহিলী ৩৫০০ টকা আছিল, মাহিলী নিৰ্ভৰশীলতা ১৭০০ টকা হিচাপে গণনা কৰিছিল। ন্যায়াধীকৰণে মৃতকৰ সম্ভাব্য আয়ুস ৬৫ বছৰ হিচাপে লৈছিল আৰু দুৰ্ঘটনাৰ সময়ত মৃতকৰ বয়স ৪০ বছৰ হোৱা হেতুকে গুনক হিচাপে ১৫ প্ৰয়োগ কৰিছিল। কিন্তু উক্ত ধনৰ পৰা ২০% জীৱনৰ অনিশ্চয়তাৰ দিশত কৰ্তন কৰাৰ লগতে এককালীন ধন পোৱাৰ বাবে ১০% কৰ্তন কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল আৰু এইদৰে সেই ভিত্তিত ক্ষতিপূৰণৰ পৰিমাণ, যিটো অন্যথা ৩,০৬,০০০ টকা হ'লহেঁতেন, ২,১৪,২০০ টকালৈ হ্ৰাস কৰা হৈছিল। ৩,০০০ টকা ৰাশি অৱশ্যে মৃতকৰ চিকিৎসাৰ বাবে পৰিয়ালে কৰা খৰচ, আৰু ভ্ৰমণ খৰচ আদি হিচাপে প্ৰদান কৰা হৈছিল। আকৌ ৩,০০০ টকা সাহচৰ্যৰ ক্ষতিৰ ৰূপত প্ৰদান কৰা হৈছিল, ৬০০০ টকা অন্ত্যেষ্টিক্ৰিয়াৰ খৰচৰ দিশত, মৰম-চেনেহ হেৰুৱাৰ বাবে ৩,০০০ টকা প্ৰদান কৰা হৈছিল। উক্ত ভিত্তিত মুঠ ক্ষতিপূৰণ ২,৫০,২০০ টকা নিৰ্ধাৰণ কৰা হয়। ইয়াৰ উপৰিও নিৰ্দেশ দিয়া হৈছিল যে নিৰ্ধাৰিত ধন দাবীকাৰীসকলক বছৰি ৬% সুতৰ হাৰত প্ৰদান

কৰা হ'ব। অৱশ্যে উচ্চ ন্যায়ালয়ে আপীলত ৰায় দিয়ে যে মৃতকৰ আয়ৰ প্ৰতি লক্ষ্য ৰাখি যিটো আছিল প্ৰতিমাহে ৩৫০০ টকা, নিৰ্ভৰশীলতাৰ ক্ষতি প্ৰতিমাহে ২,০০০ টকাৰ পৰিমাণলৈ বৃদ্ধি কৰিব লাগে। যিমানদূৰলৈকে সুতৰ হাৰৰ কথা জড়িত হৈ আছে, সেই সুতৰ হাৰ দাবী দাখিল কৰাৰ তাৰিখৰ পৰা নিৰ্ধাৰিত ধনৰাশি লাভ কৰা তাৰিখলৈকে বছৰি ৮% লৈ বৃদ্ধি কৰিবলৈও নিৰ্দেশ দিয়া হৈছিল।

আপীলকাৰীৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা এ. পি. মোহান্টি ডাঙৰীয়াই এই আপীলৰ সমৰ্থনত দুটা বিতৰ্ক উত্থাপন কৰিছিল। বিদ্বান অধিবক্তাই প্ৰথমে দাবী কৰে যে সেই সময়ত প্ৰচলিত সুতৰ হাৰ ১০% আছিল আৰু উচ্চ ন্যায়ালয়ে বছৰি ৮% হাৰত সুত নিৰ্ণয় কৰাত ভুল কৰিছিল। উক্ত বিতৰ্কসমূহৰ সমৰ্থনত বিদ্বান অধিবক্তাই *আৰ.এল. গুপ্তা আৰু অন্যান্য বনাম জুপিটৰ জেনেৰেল বীমা কোম্পানী আৰু অন্যান্য,* [১৯৯০] ১ এছ.চি.চি. ৩৫৬, *কৌশ্নুমা বেগম (শ্ৰীমতী) আৰু অন্যান্য বনাম নিউ ইণ্ডিয়া এশ্বুৰেন্স কোম্পানী লিমিটেড আৰু অন্যান্য* [২০০১] ২ এছ.চি.চি. ৯ আৰু *ইউনাইটেড ইণ্ডিয়া বীমা কোম্পানী লিমিটেড আৰু অন্যান্য বনাম পেট্ৰিচিয়া জ্যা মহাজন আৰু অন্যান্য* [২০০২] ৬ এছ.চি.চি. ২৮১ – গোচৰসমূহৰ ওপৰত নিৰ্ভৰ কৰিছিল।

বিদ্বান অধিবক্তাই পৰৱৰ্তী যুক্তি প্ৰদান কৰে যে আপীলকাৰীয়ে প্ৰতিমাহে প্ৰায় ৩৫০০ টকা উপাৰ্জন কৰিছিল অৰ্থাৎ প্ৰতি বছৰে ৪২,০০০ টকা উপাৰ্জন কৰিছিল, উক্ত ধনৰ পৰা ইয়াৰ এক তৃতীয়াংশ কৰ্তন কৰিলে, বছৰি ২৮,০০০ টকাৰ ৰাশি নিৰ্ভৰশীলতা ক্ষতিৰ বাবে বিবেচনা কৰা উচিত আছিল আৰু বিষয়টোৰ সেই দৃষ্টিভংগীত ক্ষতিপূৰণৰ পৰিমাণ ১৬ গুণক প্ৰয়োগ কৰি গণনা কৰা উচিত আছিল কাৰণ দুৰ্ঘটনাৰ সময়ত মৃতকৰ বয়স ৪০ বছৰ আছিল।

আনহাতে, প্ৰতিপক্ষৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা অশোক ভান ডাঙৰীয়াই দাবী কৰে যে এই প্ৰকৃতিৰ এক গোচৰত, এই আদালতে *ইউনাইটেড ইণ্ডিয়া বীমা কোম্পানী লিমিটেড* (উপৰোক্ত) গোচৰত দিয়া সিদ্ধান্তৰ প্ৰতি লক্ষ্য ৰাখি, ৯% হাৰত সুত নিৰ্ধাৰণ কৰাটো ন্যায্য হ'ব। বিদ্বান অধিবক্তাই, পুনৰ আমাৰ দৃষ্টি আকৰ্ষণ কৰে যে সেই গোচৰত ১০ গুণক প্ৰয়োগ কৰা হৈছিল।

এই আদালতৰ মতে সুতৰ হাৰ কিমান হ'ব লাগে সেই প্ৰশ্নটো প্ৰতিটো গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰিব। সুত নিৰ্ধাৰণ সাধাৰণতে প্ৰাসংগিক সময়ত প্ৰচলিত বেংক হাৰৰ ওপৰত নিৰ্ভৰ কৰিব।

*আৰ. এল. গুপ্তা* (উপৰোক্ত) গোচৰত ১২% হাৰত সুত নিৰ্ধাৰণ হৈছিল। অৱশ্যে ইয়াৰ সমৰ্থনত কোনো কাৰণ প্ৰদান কৰা হোৱা নাই।

*কৌশ্নুমা বেগম* (উপৰোক্ত) গোচৰত ক্ষতিপূৰণৰ পৰিমাণ দাবীৰ তাৰিখৰ পৰা বছৰি ৯ শতাংশ হাৰত সুতৰ সৈতে পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। *ইউনাইটেড ইণ্ডিয়া বীমা কোম্পানী লিমিটেড* (উপৰোক্ত) গোচৰত আগতে লক্ষ্য কৰা ধৰণে একেটা সুতৰ হাৰ নিৰ্ধাৰণ কৰা হৈছিল।

আমাৰ মতামত যে, গোচৰটোৰ তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সুত বছৰি ৯% হাৰত পৰিশোধ কৰিব লাগে।

মটৰ গাড়ী আইনখনৰ দ্বিতীয় অনুসূচীত গাঁথনিগত সূত্ৰৰ ভিত্তি উল্লেখ কৰা হৈছে।

বৰ্তমান এইটো আইনৰ এটা সু-প্ৰতিষ্ঠিত নীতি যে দ্বিতীয় অনুসূচীৰ অধীনত নিৰ্ধাৰণ কৰা ধৰণে গাঁথনিগত সূত্ৰৰ ভিত্তিত ক্ষতিপূৰণ পৰিশোধ কৰাটোৰ পৰা সাধাৰণতে বিচ্যুত হ'ব নালাগে। মটৰ গাড়ী আইনৰ ১৬৮ নং ধাৰাই, ইয়াৰ ১৬৬ নং ধাৰাৰ ক্ষেত্ৰত, ক্ষতিপূৰণৰ পৰিমাণ নিৰ্ধাৰণৰ বাবে নিৰ্দেশনা প্ৰদান কৰে। এই আদালতে সিদ্ধান্ত কৰাৰ দৰে অৱশ্যে ব্যতিক্ৰমী গোচৰত গাঁথনিগত সূত্ৰৰ পৰা বিচ্যুত হ'ব পাৰি। তদুপৰি প্ৰতিটো গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ভিত্তিত ক্ষতিপূৰণৰ পৰিমাণ ন্যায়সংগত আৰু ন্যায্য হ'ব লাগে।

প্ৰাসংগিক সময়ত ভুক্তভোগীজনৰ বয়স আছিল ৪০ বছৰ। সেয়েহে ন্যায়াধিকৰণ আৰু উচ্চ ন্যায়ালয়ে ১৫ গুণক প্ৰয়োগ কৰাত ভুল কৰা বুলি ক'ব নোৱাৰি। এতিয়া বিবেচনা কৰিবলগীয়া একমাত্ৰ প্ৰশ্নটো হ'ল গুণ্য কেনেকৈ নিৰ্ধাৰণ কৰা হ'ব।

দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়ত মৃতক এগৰাকী ডেকা মানুহ আছিল। তেওঁৰ এটা স্থায়ী চাকৰি আছিল। গতিকে, উচ্চ ন্যায়ালয়ৰ লগতে ন্যায়াধিকৰণেও এক যুক্তিসংগতভাৱে উদাৰ দৃষ্টিভংগীৰে তেওঁৰ ভৱিষ্যতৰ সম্ভাৱনাৰ বিবেচনা কৰা উচিত আছিল।

ভৱিষ্যতৰ কৰ্মজীৱনৰ সম্ভাৱনা আৰু উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি ৪৫,০০০ টকা হিচাপে বাৰ্ষিক আয়ৰ অধিক প্ৰাক্কলন অপ্ৰাসংগিক নহ'ব। উক্ত ধনৰাশিৰ পৰা মুঠ আয়ৰ এক তৃতীয়াংশ ব্যক্তিগত জীৱন-যাপনৰ খৰচৰ দিশত কৰ্তন কৰিব লাগে। এইদৰে, ৩০,০০০ টকাৰ ৰাশি নিৰ্ভৰশীলতাৰ ক্ষতি হিচাপে নিৰ্ধাৰণ কৰিব লাগে। উক্ত ৰাশিটো ১৫ গুণক প্ৰয়োগ কৰি মূলধনীকৰণ কৰিব লাগে, যি ৪,৫০,০০০ টকা হয়।

ইয়াৰ আগলৈ উল্লেখ কৰালৈকে আংশিকভাৱে এই আপীলৰ অনুমতি দিয়া হৈছে।

গোচৰটোৰ তথ্য আৰু পৰিস্থিতিত, খৰচৰ ক্ষেত্ৰত কোনো আদেশ নাথাকে।

**ন্যায়াধীশ এ আৰ. লক্ষ্মণণ**। মোৰ সন্মানীয় ভাতৃয়ে উপনীত হোৱা সিদ্ধান্তত সহমত প্ৰদান কৰি, মই নিম্নোক্ত কিছুমান শাৰী যোগ দিব বিচাৰোঁ।

আপীলকাৰীৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা এ. পি. মোহান্তি ডাঙৰীয়াই তেওঁৰ যুক্তিৰ সমৰ্থনত আমাৰ আগত তিনিটা ৰায়ৰ উল্লেখ কৰিছিল। কোনো এটা ৰায়তে সুতৰ হাৰ সম্পৰ্কে কোনো অনুপাতৰ অৱতাৰণা কৰা হোৱা নাই আৰু ক্ষতিপূৰণৰ ৰাশিৰ ওপৰত নিৰ্ধাৰণ কৰা সুতৰ হাৰ ন্যায়িক বিবেচনাৰ অধীন আছিল। প্ৰতিটো গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি আৰু মুদ্ৰাস্ফীতি, অৰ্থনীতিৰ পৰিৱৰ্তন, ভাৰতীয় ৰিজাৰ্ভ বেংকে সময়ে সময়ে গ্ৰহণ কৰা নীতি, গোচৰটো কিমান দিনলৈ বিচাৰাধীন হৈ আছে, ভুক্তভোগীয়ে ভুগিবলগীয়া হোৱা স্থায়ী আঘাত, দুখৰ গভীৰতা, ভৱিষ্যতৰ আয়ৰ ক্ষতি, জীৱন উপভোগৰ ক্ষতি আদি সকলো প্ৰাসংগিক কাৰকৰ বিবেচনা কৰি সুতৰ হাৰ ন্যায্য আৰু যুক্তিসংগত হ'ব লাগিব। মটৰ গাড়ী আইন, ১৯৮৮-ৰ ১৭১ নং ধাৰাত কোনো সুতৰ হাৰ নিৰ্ধাৰণ কৰা হোৱা নাই। ন্যায়াধিকৰণ, উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ে বিভিন্ন সুতৰ হাৰ প্ৰদান কৰি আহিছে। দাবীদাৰে বিশেষভাৱে সুতৰ বাবে আবেদন নকৰিলেও সুত প্ৰদান কৰিব পাৰি কাৰণ ই আইনৰ দৃষ্টিত যুক্তিসংগত। সুত হ'ল ধনৰাশি ধৰি ৰখাৰ বা ধন আদায় পৰিহাৰ কৰাৰ ক্ষতিপূৰণ আৰু সেই সুত কোনো পক্ষক কেৱল তেওঁক দিবলগীয়া উচিত ধনৰাশিৰ পৰা আঁতৰাই ৰখাৰ বাবেহে দিয়া হয়। ধাৰা ১৭১-ৰ অধীনত এনে বিষয়ত ন্যায়াধিকৰণক বিবেচনাধীনতা প্ৰদান কৰা বিধানৰ প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি মটৰ দুৰ্ঘটনা দাবীৰ গোচৰত সাধাৰণ প্ৰয়োগৰ বাবে কোনো নীতি অনুমান কৰিব নোৱাৰি বা কোনো সুতৰ হাৰ নিৰ্ধাৰণ কৰিব নোৱাৰি। আন বিষয়ত, সুত নিৰ্ধাৰণ কৰাটো পৰিনিয়ত বিধান, ব্যৱসায়িক ব্যৱহাৰ আৰু সমতাৰ মতবাদৰ ওপৰত নিৰ্ভৰ কৰে। মটৰ গাড়ী আইনৰ অধীনত দাবীৰ সুতৰ হাৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত শ্ৰমিক ক্ষতিপূৰণ আইনৰ ধাৰা ৪-এ(৩) বা ধাৰা ৩৪ চি.পি.চি. প্ৰযোজ্য নহয়। প্ৰতিটো গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি আদালতে বিভিন্ন হাৰত সুত নিৰ্ধাৰণ কৰিছে। গতিকে মোৰ মতে সুত প্ৰদানৰ ক্ষেত্ৰত কোনো ধৰা-বন্ধা নিয়ম থাকিব নোৱাৰে আৰু ওপৰত উল্লেখ কৰা ধৰণে সুত নিৰ্ধাৰণ কৰাটো কেৱল ন্যায়াধিকৰণ বা উচ্চ ন্যায়ালয়ৰ বিবেচনাধীন।

অনুবাদক: হৰ্ষদ্বীপ কলিতা, কনিষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”